# সম্পাদকীয়

অসমৰ আন্দোলন সন্দৰ্ভত ঃ ১৯৭৯ চনৰ পৰা আৰম্ভ হোৱা আমাৰ জাতীয় অস্তিত্ব ৰক্ষা আন্দোলনত যিসকল বীৰ বীৰাঙ্গনাই আত্মোৎসৰ্গ কৰি জীৱন ধন্য কৰিলে আৰু যিসকল চিৰজীৱনলৈ পঙ্গু হ'ল তেওঁলোকলৈ জয়জয়তে অকৃত্ৰিম প্ৰণিপাত জনোৱাৰ লগতে যিসকলে তেওঁলোকৰ বিয়োগ আৰু পঙ্গুত্বপ্ৰাপ্তিত অবৰ্ণনীয় বেদনা, দুৰ্ভোগ আৰু ক্ষতিৰ নিৰীহ বলি হবলগীয়া হ'ল তেওঁলোকলৈও আমাৰ আন্তৰিক সমবেদনা জ্ঞাপন কৰিছোঁ।

অবৈধ বিদেশী নাগৰিকৰ অত্যধিক অনুপ্ৰবেশে অসমৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু অন্যান্য দিশত অন্ধকাৰ ভৱিষ্যতৰ অশুভ ইঙ্গিত প্ৰকট কৰি অনাত জাতি-ধৰ্ম নিৰ্বিশেষে অসমৰ আবাল-বৃদ্ধ-বনিতা, কৃষক-বনুৱা, চাকৰিয়াল আৰু ছাত্ৰ-ছাত্ৰীসকলে পলমকৈ হ'লেও ৰাজপথলৈ নামি আহিছিল—অহিংস আৰু গণতান্ত্ৰিক পদ্ধতিৰ আন্দোলন আৰম্ভ কৰিছিল। লক্ষ্য আছিল—অবৈধ বিদেশী নাগৰিকক অসমৰ পৰা বহিষ্কাৰ কৰা। কিন্তু সমস্যা সমাধানৰ আগতে ১৯৮৩ চনত বিধান সভাৰ নিৰ্বাচন পাতি দিয়াত অসমৰ শান্তি সম্প্ৰীতিৰ যাউতি-যুগীয়া এনাজৰীডালত পৰিল এক অভাৱনীয় প্ৰচণ্ড আঘাত। বিভিন্ন জনগোষ্ঠীৰ মাজত অতৰ্কিতে গজি উঠিল হিংসা আৰু বিদ্বেষৰ বিষবৃক্ষ আৰু তাৰ অৱশ্যম্ভাৱী পৰিণতি স্বৰূপে যি ঘটি গ'ল সেয়া কাৰো অবিদিত নহয়। সেই নিষ্ঠুৰ আৰু জঘন্য অতীতৰ যাতে পুনৰাবৃত্তি ঘটিব নোৱাৰে তাৰ বাবে আজি আমি বিচাৰিছোঁ প্ৰতিজন অবৈধ বিদেশী অনুপ্ৰবেশকাৰীক চিনাক্ত কৰি বহিষ্কাৰ কাৰ্য আন্তৰিকতাৰে সম্পন্ন কৰা হওক, ভৱিষ্যতে অনুপ্ৰবেশ কৰিব নোৱাৰাকৈ অনুপ্ৰবেশৰ বাট স্থায়ী আৰু কটকটীয়াকৈ বন্ধ কৰা হওক আৰু যিসকলে সাম্প্ৰদায়িকতাৰ জঘন্য পাশা খেল খেলি অসমৰ পবিত্ৰ পৰম্পৰা অপবিত্ৰ কৰাৰ এতিয়াও অহৰহ চেষ্টাত আছে সেই সকল সমাজ তথা দেশৰ ভয়ঙ্কৰ শত্ৰুৰ মুখা খুলি দি আৰু সেইবোৰৰ পৰা নিৰাপদ দূৰত্বত থাকি প্ৰতিজন অসমবাসীয়ে বিভিন্ন ধৰ্ম, জাতি-উপজাতিৰে গঠিত বৈচিত্ৰময় অসমৰ ঐতিহ্য অম্লান ৰাখক। কেন্দ্ৰীয় চৰকাৰেও ভাৰতৰ এক অবিচ্ছেদ্য আৰু অতি গুৰুত্বপূৰ্ণ অংশ অসমৰ এই জ্বলন্ত সমস্যাৰ আশু সমাধান কৰিবলৈ এক সহানুভূতিশীল, বাস্তৱমুখী আৰু কাৰ্যকৰী দৃষ্টিভঙ্গীৰে অনতিপলমে আগবাঢ়ি আহক। বিলম্বত তিক্ততা বাঢ়ে। সমস্যাৰ পৰিধি অযথা বিস্তৃত হয়।

**সমকালীন অসমীয়া সমাজ সন্দৰ্ভত ঃ** অসমৰ সাম্প্ৰতিক জাতীয় জীৱন আজি দুৰ্নীতিৰ প্ৰভাৱে চানি পেলাইছে। সমাজৰ সকলো স্তৰৰ ব্যক্তি আজি যেন দুৰ্নীতিৰ জীৱাণুৰে আক্ৰান্ত। অফিচ কাছাৰীত অতি সাধাৰণ কাম এটাৰ বাবে কেৰাণী, মহৰী, পিয়ন, চকীদাৰ আদিক লগ ধৰিলে পইচা যাচিব লগা হোৱাটো এটা প্ৰায় অলিখিত অথচ অপৰিহাৰ্য নিয়মত পৰিণত হৈছে। পৰীক্ষা গৃহবোৰত চলিছে অসৎ উপায় অৱলম্বন কৰা কিছুমান পৰীক্ষাৰ্থীৰ অবাধ ৰাজত্ব। কৰ্তব্যৰত নিষ্ঠাবান নিৰীক্ষকসকল সময়ে সময়ে তেনে পৰীক্ষাৰ্থী নামধাৰী দুষ্কৃতিকাৰী সকলৰ দ্বাৰা হৈছে আক্ৰান্ত, লাঞ্ছিত আৰু প্ৰহৃত। চাকৰিৰ জগত খনত আজিকালি বেছিভাগ ক্ষেত্ৰতে প্ৰাৰ্থীৰ যোগ্যতাতকৈ প্ৰাধান্য দিয়া হয় উপঢৌকন, স্বজন-প্ৰীতি আৰু প্ৰভাৱশালী ব্যক্তিৰ অন্যায় অনুৰোধ অথবা আদেশৰ ওপৰত। খাদ্য-দ্ৰব্য আৰু ঔষধ ভেজাল কৰণৰ কথা এই প্ৰসঙ্গত বিশদভাবে নকলোৱে যেনিবা। কোৱা বাহুল্য, এই সকলোবোৰ আমাৰ ক্ষয়িষ্ণু আৰ্থ-সামাজিক ব্যৱস্থাৰে করুণ আৰু অৱশ্যম্ভাৱী পৰিণতি। সেয়ে সমাজৰ প্ৰতিজন সচেতন আৰু সু-বুদ্ধিসম্পন্ন ব্যক্তিৰে আজি এই বিষয়ে গভীৰভাবে চিন্তা কৰাৰ প্ৰয়োজন আহি পৰিছে। সংৰক্ষণশীলতাৰ মোহৰপৰা মুক্ত হৈ ধ্বংসমুখী তথা সৰ্বনাশী পৰম্পৰা ভঙ্গ কৰি সমাজখনক নতুন সাজেৰে নতুন ৰূপেৰে সজাই তোলাটো হব তেওঁলোকৰ পবিত্ৰ কৰ্তব্য আৰু উত্তৰ পুৰুষসকলৰ বাবে সি হব তেওঁলোকৰ এক মহান অৱদান।

অন্ধ অনুকৰণশীলতাই আমাৰ কৃষ্টি সংস্কৃতিৰ যে কোনো কোনো দিশত বিকৃত প্ৰভাৱ নেপেলোৱাকৈ থকা নাই তাক অস্বীকাৰ কৰাটো টান। উদাহৰণ স্বৰূপে, বেশ-ভূষা, গীত মাত আদিত এনেকুৱা অন্ধ অনুকৰণ সময়ে সময়ে পৰিলক্ষিত হয়। বাহিৰৰ ভাল কিবা এটা বস্তু আঁকোৱালি লোৱাত আমাৰ কোনো আপত্তি নাই; কিন্তু বাহিৰৰ কিবা এটাই আমাৰ আপুৰুগীয়া কৃষ্টি-সংস্কৃতিৰ কোনোটো দিশৰ প্ৰতি আমাক বিস্মৃত আৰু বিৰূপ মনোভাৱাপন্ন কৰি তাক বিলুপ্তৰ বাট [illegible] কৰাৰ প্ৰয়াস কৰিলে আমি যিকোনো মূল্যৰ বিনিময়ত তাক প্ৰতিবন্ধক দিবই লাগিব।

**সমকালীন অসমীয়া সাহিত্য সন্দৰ্ভত ঃ** অসমীয়া সাহিত্য আজি ভাৰতৰ অন্যান্য ভাষাৰ সাহিত্যৰ তুলনাত পৰিমৰা বিধৰ নহয়। বৰং কোনো কোনো সাহিত্যৰ তুলনাত কোনো কোনো দিশত অসমীয়া সাহিত্য আগবঢ়া বুলি কলেও অত্যুক্তি নহয়। তথাপি এনে কিছুমান দিশ আছে যিবোৰত অসমীয়া সাহিত্যৰ দৈন্য আজিলৈকে অতি স্পষ্ট। সেইবোৰৰ ভিতৰত বিজ্ঞান-ভিত্তিক সাহিত্য, শিশু সাহিত্য আৰু অনুবাদ-সাহিত্যৰ কথাকে উল্লেখ কৰিব পাৰি। বৰ্তমানে যিখিনি লেখক-লেখিকাই এই শ্ৰেণীৰ সাহিত্যত অৰিহণা যোগাই আছে তেওঁলোকৰ সংখ্যা অতি নগণ্য। সেয়ে সম্প্ৰতি সৰহ সংখ্যক অসমীয়া সাহিত্যিকে এই শ্ৰেণীৰ সাহিত্যত

আত্মনিয়োগ কৰা উচিত। অনুবাদ সাহিত্য দুই ধৰণে হব লাগে। শ্ৰেষ্ঠ অসমীয়া সাহিত্য-ৰাজিৰ অনুবাদ হব লাগে ভাৰতীয় আৰু পৃথিৱীৰ অন্যান্য ভাষালৈ আৰু ভাৰতীয় আৰু পৃথিৱীৰ অন্যান্য ভাষাৰ শ্ৰেষ্ঠ সাহিত্যৰাজিৰ অনুবাদ হব লাগে অসমীয়া ভাষালৈ। নকলেও হব, এনে ধৰণৰ অনুবাদ সাহিত্যই আমাৰ শ্ৰেষ্ঠ সাহিত্যৰাজিক বিশ্ববাসীৰ সমুখলৈ উলিয়াই আনি অসমীয়া সাহিত্য তথা অসমৰ মৰ্যাদা প্ৰতিষ্ঠা কৰাৰ লগতে অসমীয়া জনজীৱনক ভাৰত তথা বিশ্বৰ জনজীৱনৰ ওচৰ চপাই নিয়াত প্ৰভুত বৰঙণি যোগাব পাৰে।

সম্প্ৰতি অসমীয়া ভাষাত আলোচনীৰ সংখ্যা বৃদ্ধি পোৱাত নতুন নতুন বহুত লেখক-লেখিকাৰ জন্ম হৈছে। এয়া অসমীয়া সাহিত্যৰ সঁচাকৈয়ে শুভ লক্ষণ। আমি আশা কৰিছোঁ, এই চাম উদীয়মান লেখক-লেখিকাই হঠাতে নাম কিনাৰ মোহ ত্যাগ কৰি অধ্যয়ন, সাধনা আৰু অনুশীলনেৰে সৃষ্টিকামী আৰু বাস্তৱধৰ্মী সাহিত্যৰ সৃষ্টি কৰাত আত্মনিয়োগ কৰিব। প্ৰতিষ্ঠিত সাহিত্যিক আৰু সমালোচক সকলে এই চাম লেখক-লেখিকাক পোহৰলৈ অনাত যথেষ্ট অৰিহণা যোগাব পাৰে। অৰক্ষণশীল তথা সহানুভূতিশীল দৃষ্টি ভঙ্গী অভিজ্ঞতালব্ধ দিহা-পৰামৰ্শ আৰু গঠনমূলক সমালোচনাৰে তেওঁলোকে এই নবীন লেখক লেখিকাসকলক দেখুৱাই দিব পাৰে শুদ্ধ পথ আৰু প্ৰতিষ্ঠাৰ সোপান।

**'জৱাহৰ জ্যোতি' আৰু আমাৰ লেখক লেখিকা সকল ঃ** আলোচনী এখনৰ সৌষ্ঠৱ মূলতঃ নিৰ্ভৰ কৰে লেখক-লেখিকাৰ লেখা সমূহৰ মানদণ্ডৰ ওপৰত। জৱাহৰ জ্যোতিৰ এইটো সংখ্যাৰ বাবে যথেষ্ট গল্প, কবিতা, প্ৰবন্ধ আদি পোৱা গৈছিল যদিও বেছি ভাগৰে মানদণ্ড নিম্নস্তৰৰ হোৱা হেতু সেইবোৰ প্ৰকাশ কৰিব পৰা নহ'ল। যিখিনি গল্প কবিতা-প্ৰবন্ধ নিৰ্বাচিত কৰি প্ৰয়োজন সাপেক্ষে হাত ফুৰাই পঢ়ুৱৈ সকলৰ সমুখত উলিয়াই দিয়া হৈছে তাৰ মূল্যাঙ্কনৰ ভাৰ তেওঁলোকৰ ওপৰত। আমি এইখিনিতে মাথোঁ আমাৰ লেখক-লেখিকা সকলৰ দৃষ্টি অসমীয়া সাহিত্যৰ উদীয়মান লেখক-লেখিকাৰ সন্দৰ্ভত কৈ অহা কথাখিনিলৈ আকৰ্ষণ কৰাৰ প্ৰয়োজন অনুভৱ কৰিছোঁ।

**সম্পাদকৰ ব্যক্তিগত আযাৰ চেৰেক ঃ** 'জৱাহৰ জ্যোতি' সম্পাদনাৰ ভাৰ আমাৰ ওপৰত ন্যস্ত কৰা বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ ছাত্ৰীলৈ আমাৰ অকৃপণ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে যিসকলে সহায় সহযোগিতা আগবঢ়াই আলোচনীখনৰ প্ৰকাশ সম্ভৱ কৰি তুলিলে তেওঁলোকলৈও আমাৰ অকৃত্ৰিম কৃতজ্ঞতা যাচিছোঁ। আলোচনীখন কিছুমান নতুন শিতানেৰে আপোনালোকৰ হাতত তুলি দিম বুলি ভবা হৈছিল। নোৱাৰা বাবে দুঃখিত। কিন্তু আশা কৰিছোঁ, পৰৱৰ্তী সম্পাদকে শিক্ষা, সাহিত্য, সমাজ আদি সন্দৰ্ভত 'ছাত্ৰ-ছাত্ৰীৰ মতামত' আদিৰ নিচিনা নতুন দুই এটা শিতান খুলি আলোচনীখন অধিক আকৰ্ষণীয় আৰু সমৃদ্ধ কৰি তুলিব। ●

কবিতা

# ঃ কেঁচা তেজহে সৰে ঃ

শ্ৰীনৰমোহন ৰায় সৰকাৰ।
প্ৰথম বাৰ্ষিক ঃ স্নাতক মহলা

শীতৰ লঠঙা গছৰ আগেদি আৰু টপ্ টপ্ কৈ নিয়ৰ নসৰে।
এতিয়া তাৰ আগেদি টপ্ টপ্ কৈ কেঁচা তেজহে সৰে।

শীতৰ নিহালিৰ উম কোনে কাঢ়ি নিলে
পথাৰৰ সোণালী শইচ গছকি ?
আঘোণৰ পথাৰত গৰখীয়া ল'ৰাৰ নৰাৰ পেঁপাত অমিয়া মাত
নুফুটে। প্ৰতিডাল নৰাত জৰ্ জৰ্ কৈ তেজৰ বৰষুণ··· ··· ···
আবৃত সমস্তঃ আবাল-বৃদ্ধ-বনিতাৰ কোমল বুকুত
আকাশ ঢাকি নামি অহা পৈশাচিক 'দিংদাঙ'ৰ প্ৰচণ্ড আঘাত

দেশৰ মাটিত অবতৰত ইমান বৰষুণ। শীতৰ—ইমান তেজৰ প্ৰৱাহ
···ভবাতো নাছিলোঁ কাহানিও ( দেখাতো দূৰৰে কথা )।

কোন সতৰ্ক প্ৰহৰীয়ে
ৰাতিৰ নিস্তব্ধতা ভাঙি
মোৰ দেশৰ মানুহক দামামা কোবাই জগাই তোলে ···
নেলী, গহপুৰ, চিপাঝাৰ, চমৰীয়া, ফুলুং চাপৰি··· ···।
কতজনৰ বুকুত মৰা তেজৰ চেঁকুৰা
কতজনৰ কলিজাত বৰ্শাৰ খোঁচ।
বিহুৰাম-হাবিৰামৰ তেজৰ দৰেই—শ্বহীদৰো একে ৰঙা তেজ।

জুই-ছাইলৈ খেলা কৰা নিজক লৈ, এতিয়া কোনে কান্দে
জনসমুদ্ৰৰ কোলাহল নেওচি, আইৰ বুকুত পৰি।
উদাসীনতা সকলোৰে বাবে এতিয়া। দাপোণত পল-অনুপলে প্ৰতিবিম্ব
তাৰেই—।

আইৰ মোহত সাৰ পাই উঠে ঃ মোৰ দেশৰ মাটিত প্ৰাণ পোৱা মানুহ।
মেল খালে চকুবোৰ
আকৌ ইতিহাসৰ পুনৰাবৃত্তি ঘটে নেকি ?
মানুহবোৰ অপেক্ষাৰত এতিয়া ·· ।

আৰক্ত ৰঙীন সূৰ্য্যটোৰ ডেউকাত ···মূক জনতাৰ দীৰ্ঘ চিঞৰত
এতিয়া মানুহবোৰ ··· ।

---

বিঃ দ্ৰঃ— মহাবিদ্যালয় সপ্তাহ কবিতা প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰপ্ৰাপ্ত ।

# —তোমাৰ বাবে—

শ্ৰীবিমল মজুমদাৰ
প্ৰথম বাৰ্ষিক, প্ৰাক্ বিশ্ববিদ্যালয়

আই,
তোমাৰ দুচকুৰ বান
আৰু হাতৰ শৃংখলৰ শব্দত
মোৰ কপালৰ শিৰাবোৰ থুপ খাই উঠে
ক'লা ধেঁৱাৰ কুণ্ডলীৰ দৰে ;
যন্ত্ৰণাত বিবৰ্ণ তোমাৰ
সংকুচিত ভ্ৰূত আতংকৰ ছাঁ দেখিলে
কঁপি উঠে মোৰ মুঠিমান কেঁচা তেজৰ কলিজা
উজাৰি আহি মহতিয়াই দিব তেজপিয়া ৰজা ।

# বাতি নিৰ্জন হ'লে

শ্ৰীবিৰিঞ্চি কুমাৰ ৰাভা
১ম বাৰ্ষিক, প্ৰাক্ বিশ্ববিদ্যালয়

বাতি নিৰ্জন হ'লে ঃ
মই ভাবি থাকোঁ
পাহাৰৰ এঢলীয়া বুকুত লগপোৱা
মিচিং গাভৰুজনীৰ কথা
যাৰ সজল নয়নত আছিল
অনাবিল প্ৰেমৰ আবেদন,
যাৰ ওঁঠৰ হাঁহিৰ সৌৰভে যাচিছিল
সাৰ্থক প্ৰতিশ্ৰুতি গোপনে গোপনে,
আৰু কত টুকুৰা-টুকুৰ কথা।

বাতি নিৰ্জন হ'লে ঃ
মই ভাবি থাকোঁ
ডন নদীৰ নিৰ্জন পাৰত
লগপোৱা কবিজনৰ কথা—
যাৰ কবিতাৰ প্ৰতিটো শব্দত
অনুৰণিত হৈছিল
ধৰ্ষিতা পৃথিৱীক ৰূপান্তৰ কৰাৰ সমস্ত তাগিদা।

বাতি নিৰ্জন হ'লে ঃ
মই ভাবি থাকোঁ
হাবিৰ মাজৰ লুংলুঙীয়া বাটটোৱে আহি থকা
বাঘটিৰ কথা
যাক চকুৰ পচাৰতে
মেৰিয়াই ধৰিছিল বিৰাট অজগৰ সাপটোৱে
লাহে— লাহে……লাহে
বাতি নিৰ্জন হ'লে
বাতি নিৰ্জন হ'লে —…—।

# স্মৃতি

শ্ৰীধীৰাজ তামুলী
১ম বাৰ্ষিক, প্ৰাক্ বিশ্ববিদ্যালয়

মোৰ পুৰণি বীণখনিত
ছন্দ হেৰোৱা অতীতৰ গীতবোৰ
এতিয়াও বেসুৰা হৈ বাজিয়েই আছে।
সিদিনাৰ জিক্‌মিকাই থকা
নতুন তাঁৰবোৰ
এতিয়া মামৰে ছিগোঁ ছিগোঁ কৰিলে।
এদিন সি
মলয়াৰ তালে তালে বাজি উঠিছিল,
কঁপাই তুলিছিল মোক
আলফুলে কঁহুৱাৰ দৰে;
লহৰত তাৰ পাহ মেলি ফুলিছিল বাগিছাৰ ফুল,
জোনাকেও থমকি হাঁহিছিল।
কিন্তু—
এদিন তাৰ সুৰবোৰ বেসুৰা হ'ল
জীৱনৰ কঠিন ধুমুহাই
মোহাৰি দিলে
শৰতত ফুলি উঠা
শেৱালিৰ পাহিবোৰ।
এতিয়া পুৰণি বীণৰ
ছন্দহীন সুৰত
শীতৰ লঠঙা গছবোৰ
মাথোঁ উচুপি উচুপি কান্দে। × ×

[ বিঃ দ্ৰঃ মহাবিদ্যালয় সপ্তাহত ২য় পুৰস্কাৰ প্ৰাপ্ত ]

# ঃ সংগ্ৰাম ঃ

শ্ৰীজিতেন চন্দ্ৰ ৰাভা
২য় বাৰ্ষিক, প্ৰাক্‌বিশ্ববিদ্যালয়

ব্ৰহ্মপুত্ৰ সশব্দে বৈ থকাৰ পৰত
মাজুলিৰ উপকূলত অকলে থিয় দি
অনেক বঙ্কিম পাহাৰ দেখিছোঁ,
আৰু দেখিছোঁ—
ৰঙা ৰঙা তেজ লগা পয়াৰ ;
এলানি নাও এখন দুখনকৈ ক্ৰমাৎ প্ৰতিযোগিতাত অৱতীৰ্ণ।
মাছৰোকা চৰাইবোৰে আকাশৰ বিপৰীতে
আঘাত হানিছে ;
সৰু সৰু মাছবোৰে তৰাং পানীত সাঁতুৰিছে,
প্ৰচণ্ড চেঁচা বতাহত সকলো প্ৰাণীয়েই যেন
সংগ্ৰাম কৰিছে— মুক্তিৰ বাবে ।

o o o

নিসংগতাৰ বিশাল বক্ষৰ পৰা
মই বিদ্ৰোহী— বিশ্বক সুধিলোঁ ঃ
'পৃথিৱীৰ শাসক কোন ?'
ঘটনাবহুল বছৰবোৰত
কিমানযে যুৱক-যুৱতী ইয়ালৈ আহিছে
সকলো মোৰ মনত পৰিছে ;
মনত আছে মোৰ –
নৈ আৰু পাহাৰৰ ফালে
অপলক দৃষ্টিৰে চাই থাকোঁতে
তেওঁলোক আছিল সজীৱ,
দেশৰ মাটিয়ে তেওঁলোকৰ বুকুত দিছিল সাহস আৰু অৰ্বুদ শক্তি
আওপুৰণি জমিদাৰ প্ৰভুহঁতক
শোষক বুলি ঘিণ কৰিছিল তেওঁলোকে,
হিৰ্ হিৰ্ শব্দেৰে সৃষ্টি হোৱা বিৰাট চাকনৈয়াৰ সতে
আমি যুঁজিছিলোঁ।
তীব্ৰবেগী জাহাজৰ বিপৰীত ফালে
শক্তিশালী ঢৌবোৰে কেনেকৈ ঠেকা মাৰিছিল
তোমাৰ মনত আছেনে ?

# তথাপিও

শ্ৰীনৰকুমাৰ দাস
২য় বাৰ্ষিক, স্নাতক মহলা

উদিত প্ৰভাতৰ
বাঙলী ভানুৰ দৰে
জীৱন মোৰ নহয় ৰঙীন,

আধাফুলা ফুলটিৰ
কলিটিৰ দৰে
স্বপ্ন মোৰ নহয় ফাগুন;

পূৰ্ণিমা ৰাতিৰ
জ্যোৎস্নাৰ দৰে
স্নিগ্ধ কোমল জোনালীৰে
নহয় মোৰ পথ সোণালী সপোন

তিমিৰেই মাথো মোৰ
জীৱনৰ অতিকে আপোন

ফুলি উঠা পংকজৰ
সৌন্দৰ্যৰ দৰে
জীৱন নহয় মোৰ ধুনীয়া

শেৱালিৰ শুভ্ৰতাৰে
শুকুলা নহয় মোৰ
দিগন্তৰ মেঘৰ আল্‌পনা,

তথাপিও মই তাতেই কৰোঁ
জীৱনৰ এক উদাত্ত আৰাধনা।

( মহাবিদ্যালয় সপ্তাহত ১ম পুৰস্কাৰপ্ৰাপ্ত )

# ছাই আৰু ধোঁৱাৰ মাজত

শ্ৰীশংকৰ মহন্ত
২য় বাৰ্ষিক ঃ প্ৰাক্ বিশ্ববিদ্যালয়।

আই,
তোমাৰ নীৰৱ চকুলোৰে
নোবোৱাবা আৰু বিষাদৰ নৈ
কাৰণ,
এটি দুটিকৈ বহুজন সন্তানে তোমাৰ
সাৱটি ললে মৃত্যুৰ শীতল পৰশ
ৰচনা কৰিলে কবৰৰ পিচত কবৰ।
তথাপি,
তোমাৰ সন্তানে
সংগ্ৰামৰ বহ্নিশিখা হাতত লৈ
আগুৱাই গৈ আছে .... গৈ আছে ... ।
সেয়ে, মোৰ আই
তোমাৰ মুখৰ
নিৰাশাৰ ঘনঘোৰ ছাঁ আঁতৰাই
মাথো নিঃশব্দে শুই থাকা,
শুই থাকা শ্বহীদৰ তেজে-তিজা মাটিত
চকুলোৰে উটুৱাই নিয়া
ছাই আৰু ধোঁৱাৰ মাজত
দোক-মোকালিৰ দীপ্তিমান সূৰ্য্যৰ তেজে
তাতেই ৰচিব আকৌ সজীৱ পৃথিৱী।

# প্ৰতীক্ষা

শ্ৰীশিবেন্দ্ৰ পাটগিৰী
১ম বাৰ্ষিক, স্নাতক মহলা

সাৰ পাই উঠা কেঁচুৱাৰ ক্ৰন্দনত
নিশাৰ চমক ভাগে,
অমৃতবিহীন শুকান আহাৰ এটি
মুখত লৈ কেঁচুৱাটোৱে কান্দে
এটি দুটি প্ৰতিটো নিশা।
কেঁচা ৰঙা সূৰ্যটো এতিয়াও আছে
পিছল খোৱা ভৱিখন তাই
আজিও উঠাব নোৱাৰিলে
প্ৰতিটো খোজৰ শব্দত
শুনা পায় কঠোৰ জীৱনৰ
বেসুৰা ছন্দ ধ্বনি
তাই যেন শুকান নদীৰ বালিত
পৰি ৰোৱা শামুকৰ খোলা এটি।
হাতত গুজি দি যোৱা টকা তিনিটা
কেতিয়াবাই শেষ হ'ল।
গাঁৱৰ মানুহবোৰে কয় ঃ
শোণিত নামৰ হতভগীয়া
ছমহীয়া কেঁচুৱাটোৰ পিতৃ
চকুত জ্বলা জুইকুৰাৰে
ডেকা মানুহজন গাঁৱলৈ ঘূৰি নহা
এবছৰেই হ'ল
তাইৰ বাবে প্ৰতিটো নিশাই হ'ল
অন্তহীন এক বিফল প্ৰতীক্ষা। × ×

# সময়ৰ দূত

মিচ্ বীণাপাণি কলিতা
দ্বিতীয় বাৰ্ষিক, প্ৰাক্‌বিশ্ববিদ্যালয়

তোমালোক প্ৰত্যেকেই
সময়ৰ বহ্নিমান অক্ষয় প্ৰদীপ
একোজন জাগ্ৰত শান্তিদূত।
ওঠত খোদিত তোমালোকৰ
সমস্ত কঠিন ভাষাৰ
জটিল অভিধান,
হৃদয়ৰ সাঁচিপাতত সাঁচি থোৱা আছে
বিশ্বজোৰা সময়ৰ সোণালী ইতিহাস
তোমালোক প্ৰত্যেকেই যে বিশ্বৰ ঈশান নৈৰ্ঋত
সকলো কম্পিত কৰা
অপৰাজেয় একো একোজন মহান যোদ্ধা।
অতীতৰ দীঘ
আৰু বৰ্তমানৰ বাণিৰে ৰোৱা
মহান জীৱন
য'ত আছে হেজাৰ শ্বহীদৰ আদৰ্শৰ প্ৰেৰণা
য'ত প্ৰতিধ্বনিত হৈছে ধৰ্ষিতা নাৰীৰ
করুণ ক্ৰন্দন তথা ক্ষোভৰ উকমুকনি ;
পৃথিৱীৰ মহামোহত তোমালোক বন্দী যুগে যুগে
সম্মুখৰ বাটলৈ চোৱা
উত্তিষ্ঠিত জাগ্ৰত !
উত্তিষ্ঠিত জাগ্ৰত !!
উত্তিষ্ঠিত জাগ্ৰত !!!

● ●

# ব্যৰ্থ স্মৃতি

শ্ৰীহৰিচৰণ দাস
১ম বাৰ্ষিক, প্ৰাক্ বিশ্ববিদ্যালয়

বিগত দিনৰ স্মৃতিয়ে এতিয়াও
মোক আমনি কৰে
তুমি মোৰ কল্পনাৰ পহুম পাহি।
তোমাৰ চকুত তেতিয়া ফাগুনৰ
আকাশৰ তৰাৰ হাঁহি
হিয়া আকুল কৰা অপৰূপ ছবি
মনৰ মাজত আছিল বহাগৰ বাতৰি
কঁহুৱাৰ আঁৰে আঁৰে কত কথা কৈছিলা
জীৱন মধুৰ কৰাৰ সঁহাৰি দিছিলা।
পৰেনে মনত এবাৰো তোমাৰ!
ফাগুন বহাগ কঁহুৱা
এতিয়া সকলো আছে
নাই মাথো তুমি
বৈ আছোঁ মই হেৰোৱা দিনৰ মাজত
স্মৃতিৰ মৰীচিকা খেদি
তুমি মোৰ কল্পনাৰ পহুম পাহি।

# বিগত দিনৰ ছবি

শ্ৰীযোগেন নাথ
২য় বাৰ্ষিক, প্ৰাক্বিশ্ববিদ্যালয়

ধুনীয়া তেজাল ঘোঁৰা,
ধুনীয়া ৰাজ অট্টালিকা,
আৰু অজস্ৰ লগুৱা-লিকচৌ.........;
তুমি বাৰু এনে সপোন দেখানে ককা?

* * * *

হুমুনিয়াহ এটি কাঢ়ি ককাই কয়:
দেখোঁ সোণ! ময়ো দেখোঁ,
ময়ো দেখোঁ—
ৰ'দে পোৰা এখন পথাৰ,
এখন সকৰুণ মুখাবয়ব
য'ত বিজড়িত
মোৰ এৰি অহা যৌৱনৰ
কুৰিটা বহাগ।

# — মোৰ মনৰ পৰা —

শ্ৰীজগত বড়ো
২য় বাৰ্ষিক, প্ৰাক্ বিশ্ববিদ্যালয়

চৌপাশ জয়াল এতিয়া,
এণ্ডেকুৱা এন্ধাৰত ওলমি পৰা নিশাটোৱে
আটাইকে গিলিছে
প্ৰকাণ্ড অজগৰ সাপটোৰ দৰে ;
এন্ধাৰৰ দেৱালত ঠেকা খাই
বিধ্বংস হৈছে নিশাচৰ বাদুলিৰ ডেউকা,
জিকাৰ খাই উঠে মনটো
কোনে বাৰু মোৰ তন্দ্ৰালস চকুৰ আবেশ
কাঢ়ি নিয়ে ?
নিশাৰ গভীৰতাত কোনে মোক ইমান কষ্ট দিয়ে ??
কাৰ প্ৰতাৰণাই ৰুদ্ধ কৰে গতিশীল মোৰ মনৰ তৰী ???
তথাপিও এন্ধাৰৰ খোজে খোজে খেদি
হেজাৰ হেজাৰ শ্ৰমিকৰ জৰাজীৰ্ণ পঁজাৰ কোটৰত
সোমাই পৰে মোৰ মন—মোৰ চিন্তা ।
নিলাজী বনৰ পাতৰদৰে
জাপ খাই আছে সিহঁতৰ চকু,
শ্ৰমসিক্ত কঠিন মুখত এতিয়াও নিস্তৃত ঘামৰ টোপাল ।
তাৰ পিচত
মৰাশৰ দৰে ল'ং খাই পৰি থকা দেহবোৰ
হঠাৎ কঁপি উঠিল
শীতৰ প্ৰবল কুঁৱলিৰ ধৰ্ষণত,
সময়বোৰ, ঋতুবোৰ মহাজনৰ কঠোৰ হাতোৰাবদৰে ভয়াবহ
দিনটোৰ বিৰামহীন শ্ৰম

কুবেৰৰ ভঁৰালত পাহাৰ সজাওঁতে
পাৰহৈ যায় কঠিন সময়। বিনিময়ত
এসাজ কৰ্কবা ভাত,
গা নঢকা ফটাকানিৰ সাজ
আৰু চালনী চালিৰ বাসস্থান।
তাৰ পিচত উপহাস, অত্যাচাৰ, উৎপীড়ন ...
টোপ্ টোপ্‌কৈ নিয়ৰ সৰে
শীতৰ সিৰ্‌সিৰিয়া ঠাণ্ডা বতাহত কঁপি উঠে
মনৰ ইকৰা পাত
শ্ৰমিকৰ ঘামেৰে বৈ অহা লুণীয়া তেজবোৰ
কোনে কাঢ়ি নিয়ে
এবাৰ ভবাৰ পাল। ● ●

# বুঢ়া

শ্ৰীজ্ঞানশংকৰ খাখলাৰী
প্ৰাক্তন সম্পাদক, "জন্নাহৰ জ্যোতি।"

সোঁৱৰণী, মোক নকন্দুৱাবা
ল'ৰালিৰ সেই মিঠাকালবোৰ
আৰু আইৰ কোলাত বহি কৰা ভেমবোৰ
বাৰে বাৰে সোঁৱৰাই নিদিবা।
সোঁৱৰণী মোক নোজোকাবা
অতীত কাহিনী কৈ—
সেই ল'ৰালি কালত
নৈ-নিজৰাত, বিল-বিলনিত
ওমলা-জামলা, টাংগুটি খেলা
আৰু নদীৰ ৰূপালী বালিত বহি
নদীৰ উঠা-নমা ঢৌ লেখা
সোঁৱৰণী আৰু নোজোকাবা
লাখুটিডালেই সম্বল;
সোঁৱৰণী আমনি নিদিবা
চিলাৰায়, বাণ, ভগদত্তৰ কথা কৈ
নক'বা মোক লাচিতৰ বীৰত্বৰ কথা,
নক'বা মোক মানৰ বীভৎস কাহিনী
সুঁৱৰি লাগিছে কত যে ব্যথা
সোঁৱৰণী গুচি যোৱা
নক'বা সেই দেশ ভৰা শস্য মৎস্যৰ কথা

নজ্বলাবা পূৰ্বপুৰুষৰ তেজস্বীলোকৰ জীৱন জোঁটা।
ক'লে কি হ'ব শংকৰ–মাধৱ,
ক'লে কি হ'ব গীতা–ভাগৱত,
ক'লে কি হ'ব বুদ্ধদেৱক,
ক'লে কি হ'ব হজৰত-যীশুক
আজি মই নিঃসহায় নিৰুপায়
সেঁৱৰণী আজি মোৰ উপায় নাই।
মই আজি আলব বৃদ্ধ
সময় শৰত শৰবিদ্ধ।

— × —

বিঃ দ্রঃ—কৃষ্ণাইত অনুষ্ঠিত গোৱালপাৰা জিলা সাহিত্য পৰিষদৰ দ্বিতীয় লেখক শিবিৰৰ কবি সন্মিলনত কবিতাটো পাঠ কৰা হৈছে।

# মই বনুৱা হৈও ৰণুৱা

শ্ৰীকামিনীমোহন শৰ্মা
মুৰব্বী অধ্যাপক, ইংৰাজী বিভাগ।

সঁচা কথা,
মোৰ ই জীৱন এক স্ৰোতস্বিনীত
কঁপি থকা কঁহুৱাৰ পাত
সামান্য ব্যতিক্ৰমত
বন্ধ হ'ব কঁপনি ইয়াৰ।
তথাপিতো—স্থিতি মোৰ শাশ্বত,
ইয়াতে নিহিত আছে জীৱনৰ জুই।
এবা, মই—
ৰাজআলিৰ সহস্ৰজনৰ মাজৰ
তুচ্ছ জনতকৈও তুচ্ছ,
বিশ্বৰ কোনেও নেজানে মই জীয়াই আছোঁনে নাই,
মৃত্যুৰ খবৰো মোৰ
শিয়াল শগুণ কিম্বা চহৰৰ চুইপাৰৰ
ব্যতিৰেকে কোনেও নেপাব।
কিন্তু কোনো কৰ্তাৰ অনুগ্ৰহত মোৰ জীৱন নচলে,
কাৰো ৰঙা চকু কিম্বা আঙুলিৰ নাচোনত,
অন্যায় আদেশত
চালিত নহয় মোৰ দেহ-অঙ্গ;
কৰ্তাৰ হুংকাৰ আৰু চাবুকৰ নাচোনত
দৃঢ় হয় হস্ত-মুষ্টি মোৰ
পোন হয় বৃদ্ধ আঙুলি!

* * *

অহংকাৰ কৰিবলে ভাল নেলাগে,
তথাপিতো—

মানৱ সভ্যতাৰ জন্মৰে পৰা
মুক্তি আৰু স্বাতন্ত্র্যৰ মই এক নির্মল প্রতীক।
দেখা নাই— ?
মোক এক নির্বোধ যন্ত্র কৰিবলৈ
গাঁঠিৰ ধন ভাঙি মালিকে গঢ়ি তোলে
চতুর্দিশে মোৰ সুউচ্চ কঠিন দেৱাল –
দেৱালেতো ৰুদ্ধ নকৰে মোক
ঘোষিতহে কৰে মোৰ প্ৰাণৰ কথা
প্রকাণ্ড পিঠিত তাৰ তুলি লৈ মুক্তিৰ কবিতা মোৰ।

* * *

সহস্র বনুৱাৰ মাজৰে মইও এক সামান্য বনুৱা,
পেটৰ তাগিদাত ভৰি-হাত-মুৰৰ ইমান শ্রম,
প্ৰাণৰ মমতাত জীৱনৰ কৰিছোঁ গোলামী।
শান্তি যেতিয়া আছে -
তেতিয়া মই এক সামান্য মানুহ—
আহাৰ, নিদ্ৰা আৰু মৈথুনৰ বৃত্তত
ঘূৰি ঘূৰি বাগৰি পৰা
মই এক সামান্য লাটুম !
কর্তা; সম্রাট কিম্বা ধুৰন্ধৰ মালিকৰ অত্যাচাৰত
যেতিয়া আহত হয় শান্তি
তেতিয়া মই এক জীৱন্ত এটম্ !
অশান্তিৰ জুই লাগি মই বাৰু বিস্ফোৰিত ক'ত
হোৱা নাই ?

ফ্রান্সত, ৰুচিয়াত, ভিয়েটনাম বাংলাদেশত,
পথাৰত; অফিচত,
খনি-মিল-কাৰখানাৰ ভিতৰে-বাহিৰে
দেখিলা দেখোন—
কতবাৰ হলোঁ বিস্ফোৰিত,
জ্বলি পুৰি মৰি মাৰি ৰইছোঁ জীয়াই মই
মুক্তি আৰু স্বাতন্ত্র্যৰ শ্লোগান ধ্বনিত।
মোৰ তেজ মাৰিবৰ বাবে—
সিহঁতৰ পদলেহী কুকুৰৰ কিমান কামোৰ !
কামুৰিলে আঁঠুৰ তলত—
দুখ পাওঁ, খং উঠে—
(কুকুৰ মাৰি কি লাভ ?)
সেইবাবে পোনাওঁ অসি
কর্তা, সম্রাট কিম্বা ধুৰন্ধৰ মালিকৰ কলিজাৰ ফালে।

* * *

এৰা, মই দাস !
মোৰ বাবে
মোৰ সতি-সন্ততিৰ বাবে,
মোৰ দেশ,
মোৰ আই ধৰিত্রীৰ সুখ আৰু শান্তিৰ বাবে
মই যে আজন্ম চাকৰ !
গ্রীষ্ম-বর্ষা আৰু শীতৰ যাতনা সহি
হাল বাই ধান দাই, শিল ভাঙি, লো পিটি,
মূৰ আৰু কান্ধেৰে বোজা কঢ়িয়াই,
কয়লাৰ অন্ধ কূপত,
বয়লাৰৰ উত্তপ্ততাত,
মেচিনৰ ৰূঢ়তাত,
ময়লাৰ দুর্গন্ধত
জীৱনৰ মমতা পাহৰি
শ্রমেৰে ঠেলিছোঁ মই সভ্যতাৰ ৰথৰ চকা।
সামান্য নৰৰ ৰূপত মইয়েই অমোঘ কাল
কালান্তৰে কালান্তৰে ভাঙি যাওঁ কালৰ জড়তা,
মূৰ আৰু বাজহাড় শোষক আৰু অত্যাচাৰী শাসকৰ।
নাঙলৰ মুঠি ধৰা, হাতুৰীৰ নাল ধৰা
মোৰ দুই হাতৰ চৰত

উফৰি উফৰি পৰে
মিছলীয়া মালিকৰ মসৃন মুখৰ দাঁত
মাৰ যায় ছলনাৰ বাবে ইঁহা কৃত্ৰিম হাঁহি
* * *
মই জানোঁ.
মানৱ সভ্যতাৰ অন্তিম ক্ষণলৈ
মোৰেই পিঠিত ৰ'ব শ্ৰমৰ বিৰাট বোজা,
সভ্যতাৰ ৰথ ঠেলা হাতত অনন্ত শ্ৰম ।

তথাপিতো কণ্ঠ ভেদি মুখেৰে নিগৰি ৰ'ব
প্ৰাণৰো প্ৰাণৰ মোৰ মুক্তি আৰু স্বাতন্ত্ৰ্যৰ গান,
ই গানৰ অনাবিল গতিৰ পথত
বাধা হৈ থিয় দিয়া কৰ্তা, সম্ৰাট কিম্বা
মালিকৰ তেজ-হাড়
উটুৱাই নিবৰ বাবে
হৈ আছোঁ সদায় প্ৰস্তুত ।

# নিসিদ্ধ গোলাপ

শ্ৰীবসন্ত দত্ত
মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ

তোমালোকে অতদিনে তাকেই কৰিলা
বিচিত্ৰ শব্দ-খচিত মণিহাৰ
নিজেই পিন্ধিলা
আলোক-সজ্জিত কোঠাত
উন্মত্ত অভিজাত প্ৰেমৰ কাহিনী
অতদিনে শুনি শুনালা ।
হয়নেকি কেতিয়াবা অচিনাকি
ভৰিৰ তলৰ মাটি
হয়নেকি বিসদৃশ অনাহাৰী আইতাৰ
সেমেকা চকুৰ পাহি,

নদীৰ পলসে ধোৱা শাওণৰ পথাৰত
ৰ'দে পোৰা ৰোৱণীৰ লুণীয়া ঘামৰ টোপাল
সোণালী ধানৰ থলিত দাৱনিৰ
চিক্‌মিক্ কাঁচিৰ কৌশল
সিয়ো জানো অবাঞ্চিত গোলাপৰ হাঁহি ;
হয়নেকি অচিনাকি
চহৰৰ অলিয়ে গলিয়ে
দিনান্তৰ শ্ৰমৰ পাছত শুই পৰা
শ্ৰমিকৰ দুঃসহ দুখৰ ছবি ।
শুনা জানো নাই আকাশ কঁপাই তোলা

এটি স্বৰ দুটি স্বৰ উদ্দীপক সমন্বৰ
নিজক নিঃশেষ কৰা নিৰ্যাতিত মিছিলৰ
হয়তোবা দেখিও নেদেখিলা
কঠিন গন্তব জীৱন
হয়তোবা শুনিও নুশুনিলা
বন্দীত্বৰ কৰুণ ক্ৰন্দন
কিয় বাৰু এৰি গ'লা
কাৰ বাবে এৰি থ'লা
পথিলাৰ এই মহান ভাস্কৰ্য
হায় !—সোণৰ হৰিণ খেদ'ৰ
কি যে এক উন্নাসিক বিলাস বিভ্ৰম !
কিন্তু,— হে সুদিনৰ বন্ধু
তোমালোকে দি যোৱা বুলনিৰ চ'বাৰ চাবি
দুখৰ কমাৰশালত সিহঁতে ভাঙি পেলাব
গঢ়ি ল'ব এপাট নতুন সঁচাৰ কাঠি
কাৰণ.— কাৰণটো সিহঁতে বুজি পালে
নিসিদ্ধ কোঠাত বৈ আছে বহুদিন
এমুঠি দুৰ্লভ ৰূপালী ৰ'দৰ বাবে
সুৰভিত অকণি উত্তাপৰ বাবে ।

●●

# এমুঠি বিদেশী কবিতা

অনুবাদ— শ্ৰীখগেশ সেন ডেকা
প্ৰবক্তা, অসমীয়া বিভাগ

## কবি পৰিচিতি ঃ

১। নিকানোৰ পাৰা ঃ চিলিৰ কবি নিকানোৰ পাৰাৰ জন্ম হয় ১৯১৪ চনত। ১৯৪৩ চনত এওঁ আমেৰিকাত পদাৰ্থ বিজ্ঞান বিষয়ত উচ্চ শিক্ষা লাভ কৰি স্বদেশলৈ প্ৰত্যাৱৰ্তন কৰে আৰু চিলি বিশ্ববিদ্যালয়ত পদাৰ্থ বিজ্ঞানৰ অধ্যাপক হিচাপে নিযুক্ত হয়। ১৯৫২ চনৰ পৰা চান্টিয়াগোত একেই বিষয়ৰ অধ্যাপক হয়। চিলিৰ প্ৰখ্যাত কবি পেব্‌লো নেৰুদাৰ পিছতে নিকানোৰ পাৰাৰ স্থান।

২। নাজিম হিক্‌মেত ঃ জনগণৰ কবি নাজিম হিক্‌মেতৰ জন্ম হয় ১৯০২ খৃঃত, তুৰস্কত। 'তুৰ্কীস্থান কমিউনিষ্ট পাৰ্টি'ৰ এওঁ এজন সক্ৰিয় সদস্য আছিল আৰু সেই অপৰাধতে এওঁক বহুবাৰ জেললৈ নিয়া হৈছিল। জীৱনৰ বেছিভাগ সময় এইগৰাকী কবিয়ে বন্দীশালতে কটাবলগীয়া হৈছিল। ১৯৫১ চনত তুৰস্ক চৰকাৰে এওঁক মুক্তি দিয়ে। জেলৰ পৰা ওলাই আহি হিক্‌মেতে স্বদেশ ত্যাগ কৰে আৰু জীৱনৰ বাকী কালছোৱা ছোৱিয়েট ৰুছিয়াত কটায়।

৩। ডেভিদ ডিঅ'প : আফ্ৰিকাৰ কবি ডেভিদ ডিঅ'প আছিল অতিকৈ ক্ষীণ আৰু স্বাস্থ্যও আছিল অতি দুৰ্বল। 'ডাকাৰ'ৰ ওচৰত সংঘটিত এক বিমান দুৰ্ঘটনাত এই গৰাকী কবিৰ করুণ মৃত্যু ঘটে। স্বদেশ প্ৰীতি তথা মানৱ প্ৰীতিয়েই তেখেতৰ কবিতাৰ প্ৰাণ।

৪। আই চিং : আই চিং চীনদেশৰ এগৰাকী লেখত লবলগীয়া সমাজবাদী কবি। এওঁ ফ্ৰান্সত উচ্চশিক্ষা লাভ কৰিছিল। জাপানৰ চীন আক্ৰমণৰ সময়ত এওঁ 'চীনা কমিউনিষ্ট প্যাৰ্টি'ৰ সদস্য হয়। ১৯৫০ চনৰ পৰা এই গৰাকী কবিয়ে 'নৰ্থ চাইনা পিপলছ্ ইউনিভাৰ্চিটি'ত সাহিত্যৰ অধ্যাপক হিচাপে কাম কৰে। ১৯৫১ চনত এওঁক 'সোঁ পন্থী' বুলি অভিহিত কৰা হয়।

৫। ভলাদিমিৰ মায়াকোভস্কি : ছোভিয়েট ৰুছিয়াৰ খ্যাতনামা কবি ভলাদিমিৰ মায়াকোভস্কিৰ জন্ম হয় ১৮৯৩ চনত। স্কুলীয়া জীৱনৰ পৰাই মায়াকোভস্কিয়ে ৰুছ বিপ্লৱৰ কাম-কাজত নিজকে জড়িত কৰাইছিল। ৰাজনৈতিক কাৰণত এওঁক তিনিবাৰ জেল দিয়া হয়। মায়াকোভস্কি নিঃসন্দেহে ৰুছ বিপ্লৱৰ কবি। সমগ্ৰ জীৱনটোৱেই এওঁ বিপ্লৱৰ প্ৰচাৰ আৰু প্ৰসাৰৰ কামত উচৰ্গা কৰিছিল। ১৯৩০ চনত কিবা এক অজ্ঞাত কাৰণত এই গৰাকী মহান কবিয়ে আত্মহত্যা কৰে।

# আচাৰ

নিকানোৰ পাৰা

প্ৰতিটো সুদীৰ্ঘ যাত্ৰাৰ অন্তত
মই উভতি যাওঁ
মোৰ জন্মভূমিলৈ।
প্ৰথমেই খবৰ লওঁ মই
নিহত সকলৰ :
মৃত্যু নামৰ নগণ্য এটি কাৰ্যৰ দ্বাৰা
আটাইবোৰ মানুহেই 'বীৰ' হয়
আৰু বীৰসকল আমাৰ শিক্ষাগুৰু।
দ্বিতীয়তে, খবৰ লওঁ

আহত সকলৰ।
অকণমান এই পৰ্বটি সমাধা কৰি
তাৰ পিছতহে,
মই দাবী কৰোঁ মোৰ প্ৰাপ্য অধিকাৰ :
মই খাওঁ, মই শোঁ
নতুন উপলব্ধিৰ বাবে চকুহাল মুদি দিওঁ
আৰু প্ৰবল হিংসাত মই গাওঁ
এটি গীত শতাব্দীৰ পৰিধিৰ পৰা।

× ×

# শিশুসকলৰ প্ৰতি উপদেশ

নাজিম হিক্‌মেত।

তোমালোক দুষ্ট হোৱা, তাত কোনো ক্ষতি নাই।
ওখ ওখ দেৱালবোৰ
ওখ ওখ গছবোৰ কেৱল বগাই যোৱা।
এজন অভিজ্ঞ পৰিচালকৰ দৰে
তোমাৰ দুহাতক নিৰ্দেশ দিবলৈ দিয়া
তোমাৰ চাইকেলৰ গতি।
আৰু ধৰ্মগুৰুৰ কাৰ্টুন আঁকা পেন্সিলডালেৰে
ধ্বংস কৰি দিয়া কোৰাণৰ পাতবোৰ।
এই সাৰুৱা মাটিত নিজৰ প্ৰাসাদ
কিদৰে গঢ়িব পাৰি -
সেয়া তুমি জানিব লাগিবই।
তোমাৰ ভূতত্ত্বৰ পাঠ্য পুথিৰ দ্বাৰা
স্তব্ধ কৰি দিয়া সিহঁতক
যিয়ে শিকাই তোমাক—
আদমতে হৈছিল সৃষ্টিৰ পাতনি।
তুমি উপলব্ধি কৰিবই লাগিব
এই পৃথিৱীৰ প্ৰয়োজনীয়তা,
তুমি বিশ্বাস কৰিব লাগিব
যে পৃথিৱী শাশ্বত, সনাতন;
জননী আৰু ধৰণীৰ মাজত
পাৰ্থক্যৰ সীমাৰেখা নাটানিবা।
জননীক ভালপোৱা সিমান
ভাল পাবা ধৰণীকো সিমান।

× ×

# আফ্ৰিকা

ডেভিদ ডিঅ'প

আফ্ৰিকা মোৰ আফ্ৰিকা
পৈত্ৰিক 'চাভানা'ৰ বীৰ যোদ্ধাৰ গৰ্বেৰে গৰ্বিতা, আফ্ৰিকা
আফ্ৰিকা যাৰ গীত মোৰ আইতাই গুণগুণাই গায়
দূৰণিৰ নদীৰ তীৰত;
তোমাক কোনো কালেও নিচিনিলোঁ মই
অথচ প্ৰতিডাল ধমনীত মোৰ

প্ৰবাহিত তোমাৰেই তেজ
পলসুৱা পথাৰ ভিজোৱা তোমাৰ ধুনীয়া ক'লা তেজ
তোমাৰ ঘামৰ তেজ
তোমাৰ শ্ৰমৰ ঘাম
তোমাৰ দাসত্বৰ শ্ৰম
তোমাৰ সন্তানৰ দাসত্ব
আফ্ৰিকা কোৱা মোক আফ্ৰিকা
হাউলি পৰা পিঠিৰে এয়া জানো তুমি
অৱমাননাৰ মেটমৰা বোজা বৈ ভাগি পৰা পিঠি
তেজে তুম্‌বলি দিয়া কেঁচা ঘাব
যন্ত্ৰণাত কঁপি উঠা পিঠি
দুপৰৰ সূৰুযৰ প্ৰথম উত্তাপত
চাবুকৰ আঘাতত যিয়ে 'হয়' বুলি কয়
কিন্তু এক সুগভীৰ উদাত্ত কণ্ঠই উত্তৰ দিয়ে মোক
অস্থিৰ সন্তান সেই গছজোপা শক্তিমান, সাবালক
শুভ্ৰ আৰু মৰহা ফুলৰ নিৰ্জনতাত
এতিয়াও দীপ্যমান সেই গছজোপা
সেয়াই আফ্ৰিকা তোমাৰ আফ্ৰিকা
আকৌ বাঢ়ি আহিছে সি লহ্‌পহ্‌কৈ পৰম ধৈৰ্য আৰু
আঁকোৰগোজভাৱে
আৰু ফলবোৰে ক্ৰমশঃ আহৰণ কৰিছে
স্বাধীনতাৰ অপূৰ্ব স্বাদ।

# তাই উঠি আহিছে

আই চিং

তাই উঠি আহিছে
অৱমাননাৰ সেই দশকৰ পৰা
শত্রুৱে খন্দা কবৰৰ গভীৰৰ পৰা
তাইৰ বুকুৰ আৰু কপালৰ পৰা
বৈ আছে তেজৰ ফোঁৱাৰা
তথাপি হাঁহিছে তাই
—কোনোদিনেই নহঁহা হাঁহি।

তাই হাঁহিছে
চকুহাল যেন জ্বলিছে
পতিত শত্রুৰ সন্ধানত।

তাই সাৰ পাইছে
সাৰ পালে যেতিয়া
তাই যি কোনো পশুতকৈ বেছি হিংস্র হ'ব
—যি কোনো মানুহতকৈ বেছি জ্ঞানী হ'ব।

তাই তেনেকুৱা হ'বই
কাৰণ শত্রুৰ মৃত্যুতেই নিহিত আছে
তাইৰ জন্মৰ বীজ। + +